# অসমৰ লা েকবাদ্য

## অসমীয়া

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া –**

( ক ) সাধাৰণ অৰ্থত ' সংগীত ' শব্দটোৱে কি বুজায় ?

**উত্তৰঃ** গীত আৰু বাদ্যযন্ত্ৰৰ সমাহাৰক বুজায় ।

( খ ) অসমত কাৰ ৰাজত্বকালত বাদ্যযন্ত্ৰৰ পয়া েভৰ বৃদ্ধি পাইছিল ?

**উত্তৰঃ** স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালত ।

( গ ) বাদ্যযন্ত্ৰক কেইটা শ্ৰেণীত ভাগ কৰা হয় আৰু কি কি ?

**উত্তৰঃ** বাদ্যযন্ত্ৰক চাৰিটা শ্ৰেণীত ভাগ কৰা হয় । সেই কেইটা হৈছে – তত , ঘন , সুষিৰ আৰু আনন্ধ।

( ঘ ) স্বৰমণ্ডলত কেইডাল তাঁৰ যুক্ত হৈ থাকে ?

**উত্তৰঃ** ২১ ডাল ।

( ঙ ) সচৰাচৰ টোকাৰী বাদ্য কেতিয়া বজোৱা হয় ?

**উত্তৰঃ** সচৰাচৰ বৈৰাগী নাম আৰু দেহ বিচাৰৰ নাম গাঁওতে টোকাৰী বাদ্য বজোৱা হয় ।

( চ ) একেবাৰে সৰু তালবিধৰ নাম কি ?

**উত্তৰঃ** খুঁটিল ।

( ছ ) তিৱাসকলে বাঁহীক কি বুলি কয় ?

**উত্তৰঃ** তিৱাসকলে বাঁহীক ‘ পাংচি ’ বুলি কয় ।

( জ ) মিচিংসকলে গগনাক কি নামেৰে অভিহিত কৰে ?

**উত্তৰঃ** মিচিংসকলে গগনাক ‘ গুংগাং ’ নামেৰে অভিহিত কৰে ।

( ঝ ) তিনিবিধ ঢা েলৰ নাম লিখা ।

**উত্তৰঃ** জয়টেল , ঢেপাটোল আৰু বৰটোল ।

( ঞ ) চাহ জনগা েষ্ঠীৰ পাঁচবিধ বাদ্যৰ নাম উল্লেখ কৰা ।

**উত্তৰঃ** চাহ জনগা েষ্ঠীৰ পাঁচবিধ বাদ্য হৈছে ঢাক , ঢা েল , মাদল ঢা েলক আৰু ধুমৰ্চা ।

**প্ৰশ্ন ২। আদিম যুগত কেনেধৰণৰ বাদ্যৰ ব্যৱহাৰ আছিল ?**

**উত্তৰঃ** আদিম যুগত চামৰাৰে তৈয়াৰী মাদল জাতীয় বাদ্য আৰু হাড় , বাঁহ বা কাঠেৰে তৈয়াৰী বাঁহী আদি বাদ্যযন্ত্ৰৰ ব্যৱহাৰৰ কথা জনা যায়।ইয়াৰ পিছৰ যুগত বীণা , একতাৰা বা দোতাৰা আদি উদ্ভৱ হৈছিল বুলি হৰপ্পা , মহেঞ্জোদাৰা ে আদিৰ ভগ্নাৱশেষৰ পৰা প্ৰমাণ পা েৱা গৈছে । ৰামায়ণ আৰু মহাভাৰতত া ে সেই যুগত বেণু , শংখ , ভেৰী , ঘণ্টা , মৃদংগ , দুন্দুভি আদি বাদ্যৰ ব্যৱহাৰৰ কথা উল্লেখ আছে ।

**প্ৰশ্ন ৩। অতীতত ব্যৱহৃত বাদ্যযন্ত্ৰ প্ৰমাণ আমি কেনেদৰে পাব পাৰো ? উদাহৰণসহ উল্লেখ কৰা ।**

**উত্তৰঃ** অতীতত ব্যৱহৃত বাদ্যযন্ত্ৰৰ প্ৰমাণ আমি প্ৰাচীন ধৰ্মীয় পুথি , ৰজা মহাৰজাৰ দিনৰ ফলি , ভগ্নাৱশেষ , মঠ – মন্দিৰ আদিৰ গাত খা েদিত শিল্প , প্ৰাচীন বুৰঞ্জী আদিৰ পৰা পাব পাৰা ে । উদাহৰণ হিচাপে প্ৰথমে হৰপ্পা আৰু মহেঞ্জোদাৰোৰ কথাই ক’ব পৰা যায় । ইয়াৰ ভগ্নাৱশেষবা েৰৰ পৰা সিন্ধু সভ্যতাৰ সময়ত বীণা , একতাৰা বা দোতাৰাৰ ব্যৱহাৰ হা েৱা বুলি প্ৰমাণ পা েৱা হৈছে । সেইদৰে প্ৰাচীন অসমত যে ঢা েল – তালৰ ব্যৱহাৰ আছিল সেই কথাটো ভূতি বৰ্মাৰ ফলিত থকা ঢা েল – তাল বজোৱা মানুহৰ মূৰ্তিৰ পৰা বুজা যায় । তেজপুৰ , শিৱসাগৰত থকা বিভিন্ন মন্দিৰ লগতে কামাখ্যা মন্দিৰ আদিৰ বিভিন্ন মূৰ্তিৰ ক্ষেত্ৰত তাল , বাঁহী , বীণা , কালি , ঢা েল , ডম্বৰু আদি বজোৱা পুৰষ স্ত্ৰীৰ

বিভিন্ন ভংগীৰ দৃশ্য দেখা যায় । ‘ৰামায়ণ’ আৰু ‘মহাভাৰত’ মহাকাব্য দুখনতাে বেণু , শংখ , ভেৰী , মৃদংগ , ঘণ্টা, দুন্দুভি আদিৰ উল্লেখ আছে । ‘ কালিকা পুৰাণ ’ , মাধৱ কন্দলীৰ ৰামায়ণ ’ , হৰিহৰ বিপ্ৰৰ বিব্ৰুবাহনৰ যুদ্ধ ’ , মাধৱদেৱে ৰচনা কৰা বৰগীত সমূহতাে শিক্ষা , শংখ , বেণু আদি বাদ্যযন্ত্ৰ ব্যৱহাৰৰ উল্লেখ পােৱা যায় ।

**প্ৰশ্ন ৪। তত বাদ্য কাক বােলে ? তিনিবিধ তত বাদ্যৰ উদাহৰণ দিয়া ।**

**উত্তৰঃ** তাঁৰৰ দ্বাৰা সুৰ সঞ্চাৰ কৰা বাদ্যক তত বাদ্য বােলে । তিনিবিধ তত বাদ্য হৈছে বীণ , টোকাৰী আৰু দোতাৰা ।

**প্ৰশ্ন ৫। ঘনবাদ্য বুলিলে কি বুজা উদাহৰণ সহ লিখা ।**

**উত্তৰঃ** যিবিলাক বাদ্য বিবিধ ধাতু বাঁহ বা কাঠেৰে নিৰ্মিত সেইবিলাক বাদ্য ঘন বাদ্য বুলি কোৱা হয় । ভােৰতাল , বৰকাঁহ , খুঁটিতাল , নূপুৰ, টকা , জুনুকা , টিলিঙা খঞ্জৰী আদিক ঘন বাদ্য বােলে ।

**প্ৰশ্ন ৬। কেনেধৰণৰ বাদ্যক সুষিৰ শ্ৰেণীৰ বাদ্যৰ অন্তৰ্ভুক্ত কৰা হয় ? উদাহৰণ দিয়া ।**

**উত্তৰঃ** মুখেৰে ফু দি বজোৱা বাদ্যবােৰক সুষিৰ শ্ৰেণীৰ বাদ্যৰ অন্তৰ্ভুক্ত কৰা হয় । পেঁপা , শংখ , বাঁহী , কালি , গগনা , সুতুলি আদি সুষিৰ বাদ্যৰ উদাহৰণ ।

**প্ৰশ্ন ৭। আনদ্ধ বাদ্য কাক বােলে ? উদাহৰণসহ বৰ্ণনা কৰা ।**

**উত্তৰঃ** মাটি , কাঠ , বাঁহ বা ধাতুৰ খােলা চামৰাৰে বন্ধ কৰি সজা ঢােলজাতীয় বাদ্যক আনদ্ধ বাদ্য বােলে । উদাহৰণ হিচাপে আমি নাগাৰাৰ কথাকে ক’ব পাৰাে । নাগাৰ এটা মাটিৰ খােলাৰে তৈয়াৰী বাদ্য । খােলাটোৰ মুখৰ পৰা তললৈ ডিম্বাকৃতিৰ আৰু শেষৰ ভাগ বন্ধ । মুখত জন্তুৰ চাল এখন বৰতিৰে তুলৰপৰা আঁটি বন্ধ থাকে । হাত আৰু মাৰিৰে কোবাই এই বাদ্য বজোৱা হয় । আন কিছুমান আনদ্ধ বাদ্য হৈছে — ডগৰ , ঢাক , মাদল , মৃদংগ , খােল , জয়ঢােল , ঢেপাঢােল , বৰঢােল ইত্যাদি ।

**প্ৰশ্ন ৮। শংকৰদেৱে কেনেদৰে খােল বাদ্য সজাইছিল** ?

**উত্তৰঃ** শংকৰদেৱে নিজে জোখ দি কপিলীৰ জগন্নাথ কুমাৰৰ দ্বাৰা মাটিৰে ডিমা সাজি শালমৰাৰ মুচিয়াৰৰ হতুৱাই খােল ছােৱাইছিল ।

**প্ৰশ্ন ৯। তুমি দেখা বাদ্যযন্ত্ৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰা ।**

**উত্তৰঃ** মই দেখা বাদ্যযন্ত্ৰসমূহৰ তালিকা তলত উল্লেখ কৰা হ'ল—

**তত বাদ্য** — টোকাৰী , একতাৰা , দোতাৰা , বীণ , গীতাৰ , মেণ্ডোলিন , তানপুৰা , চেতাৰ ।

**ঘনবাদ্য** – বৰকাঁহ , খুঁটিতাল , ঘণ্টা , নূপুৰ , জুনুকা , টকা , ভা েৰতাল।

**সুষিৰ বাদ্য** — বাঁহী , সুতুলি , গগনা , শংখ , পেঁপা আৰু কালি ।

**আমদ্ধ বাদ্য** — বৰঢা েল , নাগাৰা , ডগৰ , খা েল আৰু মাদল আৰু তবলা ।

**প্ৰশ্ন ১০। অসমৰ কলা কৃষ্টিত বিভিন্ন বাদ্যযন্ত্ৰসমূহ কেনেধৰণৰ ভূমিকা পালন কৰিছে বহলাই লিখা ।**

**উত্তৰঃ** অসমৰ কলা কৃষ্টিত বাদ্যযন্ত্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে । বিভিন্ন জাতি – জনগা েষ্ঠীৰ অৱদানেৰে গঢ়ি উঠা অসমৰ কলা কৃষ্টিৰ পথাৰখন বৰ বহল । সকলা ে জাতি – জনগা েষ্ঠীয়ে বিভিন্ন উপলক্ষত বিভিন্ন বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে । ঢা েল , তাল , পেঁপা , গগনা , টকা , সুতুলি , বাঁহী অসমৰ জাতীয় উৎসৱ বিহুৰ এৰাব না েৱাৰা অংগ । কলা কৃষ্টিত অতি চহকী মিচিংসকলে আলি আই – শৃগাং উৎসৱ , গুমৰাগ নৃত্যানুষ্ঠান আদিত ৰামতাল , দেওঘণ্টা , বেন্দুন , কুৰুলি , দুম্পাক আদিকে ধৰি বিভিন্ন বাদ্য সংগত কৰে । অসমৰ এক বৃহৎ জনগা েষ্ঠী বড়া েসকলে খেৰাই , হাৱাজানাই , বাগৰুম্বা , বৈশাগু আদি উৎসৱ আৰু পূজা পাৰ্বণত চেজা , চিফুং , খাম , জথা , ৰামতাল আদি বাদ্য ব্যৱহাৰ কৰে । আন আন জনগা েষ্ঠীবা েৰেও তেওঁলা েকৰ উপাসনাস্থলী , পূজা – পাৰ্বন , মাংগলিক অনুষ্ঠান , ধৰ্মীয় তথা সামাজিক উৎসৱাদিত বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে ।

অসমৰ কলা – সংস্কৃতিৰ বৰ সৌধটো নিৰ্মাণত অতি মূল্যৱান অৱদান আগবঢ়াইছে সত্ৰীয়া সংস্কৃতিয়ে । সত্ৰীয়া সংগীত – নৃত্য , অংকীয়া নাট , বৰগীত পৰিবেশন কৰোঁতে খা েল তাল , মৃদংগ , বাঁহী আদি ব্যৱহাৰ কৰি সেইবা েৰ আকৰ্ষণীয়া আৰু অৰ্থবহ কৰি তা েলা হয় ।

নামঘৰ , মন্দিৰ আৰু বিভিন্ন উপাসনা – স্থল সমূহ হৈছে অসমৰ সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অংগ এইবা েৰত ডবা , বৰকাঁহ , শংখ , ঘণ্টা , টিলিঙা আদি বাদ্যৰ ব্যৱহাৰ অপৰিহাৰ্য । বিভিন্ন পূজা – পাৰ্বণ , মাংগলিক অনুষ্ঠানতা ে এই বাদ্যবা েৰ বজোৱা হয়।

অসমৰ ঢুলীয়াসকলে বৰঢােল আৰু ওজাপালিয়ে খুঁটিল ব্যৱহাৰ কৰে। বীণ , টোকাৰী , একতাৰা , দোতাৰা আদি তত বাদ্য কুশান গান , বৈৰাগী নাম , দেহবিচাৰৰ গীত , লােকগীত , জিকিৰ আৰু জাৰী গীতৰ লগত মূল বাদ্য হিচাপে সংগত কৰা হয় ।

ওপৰৰ আলােচনাৰ পৰা বুজা যায় যে বাদ্য যন্ত্ৰসমূহে অসমৰ কলা কৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে ।

**প্ৰশ্ন ১১। অসমত বসবাস কৰা কেইটিমান জন জাতিৰ নাম উল্লেখ কৰি তেওঁলােকে ব্যৱহাৰ কৰা কিছুমান বাদ্যযন্ত্ৰৰ নাম লিখা ।**

**উত্তৰঃ** অসমত বসবাস কৰা কেইটিমান জনজাতি হৈছে — মিচিং , বড়াে , কাৰ্বি আৰু ডিমাছা । তেওঁলােকে ব্যৱহাৰ কৰা কেইবিধ বাদ্যযন্ত্ৰ হৈছে—

মিচিং – লেলং , লুপি , ৰামতাল , দেওঘণ্টা , দেন্দুন , কুলি , দুম্পাক , ঢােলুকী ।

বড়াে — চেৰ্জা , চিফুং , খাম , ৰামতাল , জথা ।

কাৰ্বি — চেং , চেংবুৰুপ , মুৰিতংপ , পাংচে , চেংচ।

ডিমাছা — মুৰি , খ্ৰাম , চুপিন , মুৰিটিছা , খ্ৰাম ডুবুং।

**প্ৰশ্ন ১২। খালী ঠাই পূৰ কৰা –**

( ক ) স্বৰ্গদেউ ___ আৰু___ দিনতেই অসমত বাদ্যযন্ত্ৰৰ পয়ােভৰ বৃদ্ধি হৈছিল ।

**উত্তৰঃ** স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনতেই অসমত বাদ্যযন্ত্ৰ পয়ােভৰ বৃদ্ধি হৈছিল ।

( খ ) একতাৰাক ____ বুলিও কয় ।

**উত্তৰঃ** একতাৰাক লাউটোকাৰী বুলিও কয় ।

( গ ) খুঁটিতালক কাৰ্বিসকলে ___বুলি কয় ।

**উত্তৰঃ** খুঁটিতালক কাৰ্বিসকলে চেংচ বুলি কয় ।

( ঘ ) জয়ঢােলক ____বুলিও নামকৰণ কৰা হয় ।

**উত্তৰঃ** জয়ঢােলক দেৱঢােল বুলিও নামকৰণ কৰা হয় ।

( ঙ ) শিঙা ___ আৰু ____ৰ শিঙৰ দ্বাৰা বনােৱা হয় ।

**উত্তৰঃ** শিঙা ম’হ আৰু মেথােনৰ শিঙৰ দ্বাৰা বনােৱা হয় ।

( চ ) কুকিসকলৰ মাজত বৰকাঁহ আৰু সৰু কাঁহক্ৰমে __আৰু নামেৰে ____জনা যায় ।

**উত্তৰঃ** কুকিসকলৰ মাজত বৰকাঁহ আৰু সৰুকাঁহ ক্ৰমে দাপি আৰু দাকলে নামেৰে জনা যায় ।

**প্ৰশ্ন ১৩। চমু টোকা লিখা –**

তাল , কালিবাদ্য , মৃদংগ , ঢােল , টোকাৰী ।

**উত্তৰঃ তাল :-** তাল এবিধ ঘন বাদ্য । অসমত সৰুৰ পৰা ডাঙৰ আকাৰলৈকে বহুবিধ তাল পােৱা যায় । কাঁহ ধাতুৰে তাল সজা হয় । সচৰাচৰ বৰগীত গাওঁতে আৰু বিহুৰ বাদ্যৰূপে ইয়াৰ ব্যৱহাৰ কৰে । একেবাৰে সৰুতাল বিধক খুঁটিতাল বােলে । এইবিধ তাল ওজাপালি গীতৰ অনুষ্ঠানত বজােৱা হয় । ইয়াক কাৰ্বিসকলে ‘ চেংচ ’ বুলি কয়।

**কালিবাদ্য :-** কালিবাদ্যক সুষিৰ বাদ্যৰ ভিতৰত ধৰা হয় । ইয়াক পিতলেৰে তৈয়াৰ কৰা হয় । মুখখন পেঁপাৰ দৰে অপেক্ষাকৃত বহল । ক্ৰমে সৰুৰ পৰা ডাঙৰ শৰীৰটোত সাত আঠটা ফুটা কৰা হয় । অসমত ব্যৱহৃত কালিৰ ভিতৰত জয়কালি , বীৰকালি , যােৰ কালি আদিৰ নাম পােৱা যায় । অসমৰ বিশেষকৈ মঙলদৈ , গােৱালপাৰা আদি অঞ্চলত পৰম্পৰাগতভাৱে বিয়া – সবাহত কালিয়াৰ আনুষ্ঠানিক পৰিৱেশন অপৰিহাৰ্য ।

**মৃদংগ :-** মৃদংগ আনদ্ধ বাদ্যৰ শাৰীত পৰে । মৃদংগ মাটিৰে তৈয়াৰ কৰা হয় যদিও পৰৱৰ্তী কালত ইয়াক কাঠেৰেও তৈয়াৰ কৰিবলৈ লােৱা হৈছে।মৃদংগ সাধাৰণতে প্ৰায় ডেৰ হাত দীঘলকৈ সাজে । বাওঁফালৰ মুখখন বাৰ বা তেৰ আঙুলি ব্যাসৰ আৰু সোঁফালে বাওঁফালতকৈ আধা আঙুলি কম হয় । দুয়ােটা মুখ চামৰাৰে চোৱাই মধ্যভাগত ঘূৰ্ণ দি বজােৱা হয় । গায়ন – বায়ন আৰু অংকীয়া নাট আদিত মৃদংগ বাদ্য সংগত কৰা হয় ।

**ঢােল :-** ঢােল আনদ্ধ বাদ্যৰ শ্ৰেণীভুক্ত । অসমৰ জনজীৱনত ঢােলৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ । ঢােল বহু প্ৰকাৰৰ দেখা যায় । যেনে — জয়ঢােল ,চেপাঢােল , বৰঢোল , ওজাৰ ঢােল ইত্যাদি ।

জয়ঢেল সাধাৰণতে ওজাপালি আৰু দেওধনি নাচৰ বাবে অতি আৱশ্যকীয় বাদ্য । জয়ঢােলক ‘ দেৱ ঢােল ’ বুলিও নামকৰণ কৰা হয় । ঢেপাঢােল আৰু বৰঢােল বজোৱা অনুষ্ঠানে দৰঙীয়া কৃষ্টিত এক বিশেষ অৰিহণা যােগাই আহিছে । এই প্ৰতিবিধ ঢােলৰ আকাৰ আৰু আকৃতি ভিন্ন যদিও কাঠ , ছাগলীৰ ছাল আদিৰ সহায়ত নিৰ্মাণ প্ৰণালী একে ।

**টোকাৰী :-** টোকাৰী বাদ্যৰ শ্ৰেণীত পৰে । ই অসমৰ এবিধ প্ৰাচীন লােকবাদ্য । আম বা চাম কাঠৰ খােলা এটাত সাধাৰণতে গুইৰ ছালেৰে ছােৱাই তাঁৰ সংযােগ কৰি এই বাদ্য তৈয়াৰ কৰা হয় । সচৰাচৰ বৈৰাগী নাম আৰু দেহ বিচাৰৰ নাম গাওঁতে টোকাৰী বাদ্যটি সংগত কৰা হয় ।

**প্ৰশ্ন ১৪। ‘ ক ’ অংশৰ লগত ‘ খ ’ অংশ মিলােৱা –**

| **‘ ক ’ অংশ** | **‘ খ ‘ অংশ** |
|---|---|
| ভূতি বৰ্মা | জিকিৰ-জাৰী |
| দোতাৰা | আলি – আই-লৃগাং |
| গােৱালপাৰা | বুডু |
| মিচিং | বৰগংগা অঞ্চল |
| ডিমাছা | কালিয় বাদন |

**উত্তৰঃ**

| **‘ ক ’ অংশ** | **‘ খ ‘ অংশ** |
|---|---|
| ভূতি বৰ্মা | বৰ গংগা অঞ্চল |
| দোতাৰা | জিকিৰ – জাৰী |
| গােৱালপাৰা | কালিয় বাদন |

| | |
|---|---|
| মিচিং | আলি – আই – লৃগাং ডিমাছা |
| ডিমাছা | বুড়ু |

**প্ৰশ্ন ১৫। তলত উল্লেখ কৰা ব্যক্তিসকলে ৰচনা কৰা একোখনকৈ গ্ৰন্থৰ নাম লিখা ।**

বাল্মিকী , বেদব্যাস , হৰিহৰ বিপ্ৰ , শ্ৰীমন্ত শংকৰদেৱ , শ্ৰীমাধৱদেৱ ।

**উত্তৰঃ** বাল্মিকী — ৰামায়ণ ।

বেদব্যাস — মহাভাৰত ।

হৰিহৰ বিপ্ৰ — বব্ৰুবাহনৰ যুদ্ধ ।

শ্ৰীমন্ত শংকৰদেৱ — গুণমালা ।

শ্ৰীমাধৱদেৱ — নামঘা◌োষা ।

**প্ৰশ্ন ১৬। সমাৰ্থক শব্দ লিখা –**

উন্নত , নমুনা , উদ্ভৱ , সঞ্চাৰ , বাদ্য ।

**উত্তৰঃ উন্নত :-** ওখ , মহৎ , ডাঙৰ , শ্ৰীবৃদ্ধিযুক্ত ।

**নমুনা :-** আৰ্হি , চানেকি ।

**উদ্ভৱ :-** উৎপত্তি , জন্ম ।

**সঞ্চাৰ :-** বিস্তাৰ , গমন , চলন ।

**বাদ্য :-** বাজনা ।

**প্ৰশ্ন ১৭। সন্ধি ভাঙা –**

সংগীত , সংস্কৃতি , যথাোচিত , উদ্ধাৰ , ৰামায়ণ , জগন্নাথ

**উত্তৰঃ সংগীত :-** সম্ + গীত ।

**সংস্কৃতি :-** সম্ + + কৃতি ।

**যথাোচিত :-** যথা + উচিত ।

**উদ্ধাৰ :-** উৎ + হাৰ ।

**ৰামায়ণ :-** ৰাম + অয়ন ।

**জগন্নাথ :-** জগৎ + নাথ ।

**প্ৰশ্ন ১৮। কি প্ৰত্যয় যোগ হৈছে দেখুওৱা —**

ঢুলীয়া , কালীয়া , মুখিয়াল , অসমীয়া

**উত্তৰঃ** ঢুলীয়া — ঢাোল + ঈয়া ( পাৰ্গত অৰ্থত )

কালীয়া — কালি + ঈয়া ( পাৰ্গত অৰ্থত )

মুখীয়াল — মুখ + ইয়াল ( আছে অৰ্থত )

অসমীয়া — অসম + ঈয়া ( সম্বদ্ধ অৰ্থত )

**প্ৰশ্ন ১৯। শব্দাৰ্থ লিখা –**

স্বকীয় , উদ্ভৱ , শৈলী , নমুনা , সৌধ , বাণ বাটি , সমন্বয় ব্যাস ।

**উত্তৰঃ** স্বকীয় — নিজা , আপাোনাৰ ।

উদ্ভৱ — উৎপত্তি , জন্ম ।

শৈলী — প্ৰণালী ।

নমুনা — চানেকি , আই ।

সৌধ — প্ৰাসাদ , অট্টালিকা ।

বাণবাটি — এবিধ কাঁহৰ ধাতুৰে তৈয়াৰ বাটি ।

সমন্বয় — মিলন , সম্বন্ধ ।

ব্যাস — গােটা বস্তুৰ পথালি জোখ।